**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 19-01-2026 **Time :** 1910 Hrs.

***Assamese Evening Bulletin***
***HEADLINES***

১। কেন্দ্ৰীয় চৰকাৰে ৫২ হাজাৰ ৩০০ কোটিৰো অধিক মূল্যৰ অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগৰ ঋণ আবেদন মঞ্জুৰ কৰিছে বুলি কেন্দ্ৰীয় বিত্ত বিভাগে জানিবলৈ দিছে।

২। নতুন দিল্লীৰ কৰ্তব্যপথত এইবাৰ অনুষ্ঠিত হ'বলগীয়া ৭৭ সংখ্যক গণৰাজ্য দিৱসৰ পেৰেডত প্ৰায় ১০ হাজাৰ বিশেষ অতিথিক আমন্ত্ৰণ জনোৱা হৈছে বুলি প্ৰতিৰক্ষা মন্ত্ৰালয়ে সদৰি কৰিছে।

৩। ভাৰতীয় জনতা পাৰ্টীৰ ৰাষ্ট্ৰীয় সভাপতিৰ নিৰ্বাচনৰ বাবে মনোনয়ন দাখিল প্ৰক্ৰিয়াৰ আজি সন্ধিয়া সামৰণি পৰে।

৪। পৰিবেশ, বন আৰু জলবায়ু বিভাগৰ মন্ত্ৰী ভূপেন্দ্ৰ যাদৱে নতুন দিল্লীত আজি ৰাষ্ট্ৰীয় বন্যপ্ৰাণী বোৰ্ডৰ ৮৮ সংখ্যক স্থায়ী কমিটীৰ বৈঠকত অংশগ্ৰহণ কৰে।

*আৰু*

৫। অষ্ট্ৰেলিয়ান অপেন টেনিছ প্ৰতিযোগিতাৰ প্ৰথম ৰাউণ্ডৰ এখন খেলত আজি তৃতীয় স্থানপ্ৰাপ্ত ক'ক' গ'ফে কেমিলিয়া ৰাখিম'ভাক ৬-২, ৬-৩ ছেটত পৰাস্ত কৰে।

০০০০০০০

কেন্দ্ৰীয় চৰকাৰে ৫২ হাজাৰ ৩০০ কোটিৰো অধিক মূল্যৰ অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগৰ ঋণ আবেদন মঞ্জুৰ কৰিছে বুলি কেন্দ্ৰীয় বিত্ত বিভাগে জানিবলৈ দিছে। উল্লেখযোগ্য যে ৰাজহুৱা খণ্ডৰ বেংকসমূহে নিৰ্দিষ্ট আৰ্হিত গ্ৰাহকৰ ক্ৰেডিট স্কৰৰ ভিত্তিত ডিজিটেল ব্যৱস্থাৰে আগবঢ়োৱা এই আবেদনসমূহত যোৱা বছৰৰ এপ্ৰিলৰ পৰা ডিচেম্বৰ মাহৰ ভিতৰত মঞ্জুৰি প্ৰদান কৰিছে। বিত্ত বিভাগে জানিবলৈ দিয়া মতে গ্ৰাহকৰ কে ৱাই চি, মোবাইল নম্বৰ, ইমেইল, জি এছ টি, বেংকৰ খাটা-বহী বিশ্লেষণ আৰু আয়কৰৰ সত্য নিৰূপণৰ ভিত্তিত এই আবেদনসমূহ গ্ৰহণ কৰি ঋণ মঞ্জুৰি দিয়া হৈছে।

০০০০০০০

নতুন দিল্লীৰ কৰ্তব্যপথত এইবাৰ অনুষ্ঠিত হ'বলগীয়া ৭৭ সংখ্যক গণৰাজ্য দিৱসৰ পেৰেডত প্ৰায় ১০ হাজাৰ বিশেষ অতিথিক আমন্ত্ৰণ জনোৱা হৈছে বুলি প্ৰতিৰক্ষা মন্ত্ৰালয়ে সদৰি কৰিছে। অতিথিসকলৰ ভিতৰত আয় আৰু কৰ্মসংস্থাপন সৃষ্টিৰ ক্ষেত্ৰত দৃষ্টান্তমূলক কাম কৰা, শ্ৰেষ্ঠ উদ্ভাৱক, ষ্টাৰ্টআপ, আত্মসহায়ক গোট আৰু বিভিন্ন চৰকাৰী পদক্ষেপৰ অধীনত শ্ৰেষ্ঠত্ব প্ৰদৰ্শন কৰা ব্যক্তিসকল আছে। ৰাষ্ট্ৰ নিৰ্মাণ আৰু সাধাৰণ জনতাৰ বাবে বিভিন্ন উন্নয়নমূলক কাম কৰা ব্যক্তিসকলৰ অৱদানক সন্মান জনোৱাৰ উদ্দেশ্যে তেওঁলোকক বিশেষ অতিথি হিচাপে এই অনুষ্ঠানত আমন্ত্ৰণ জনোৱা হৈছে। বিশেষ অতিথিসকলৰ ভিতৰত বিশ্ব এথলেটিকছ পেৰা চেম্পিয়নশ্বিপৰ বিজয়ী, প্ৰধানমন্ত্ৰী স্মাইল আঁচনিৰ অধীনত পুনৰ সংস্থাপন লাভ কৰা তৃতীয় লিংগ আৰু মগনীয়া, প্ৰাকৃতিকভাৱে কৃষি কাৰ্য সম্পাদন কৰা খেতিয়কসকল অন্যতম।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ৰাষ্ট্ৰীয় দুৰ্যোগ সহাঁৰি বাহিনী এন ডি আৰ এফৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ জৰিয়তে দিয়া এটা বাৰ্তাত শ্ৰী মোদীয়ে দেশে দুৰ্যোগৰ সময়ত নিষ্ঠা আৰু অবিচলভাৱে নিজৰ বৃত্তিত নিমগ্ন হৈ থকা লোকসকলৰ শলাগ লয় বুলি উল্লেখ কৰি এন ডি আৰ এফৰ বিষয়াসকলে বিভিন্ন প্ৰত্যাহ্বানৰ সন্মুখীন হৈ জীৱনৰ সুৰক্ষা আৰু সাহায্য প্ৰদানৰ দৰে সেৱা আগবঢ়াই আশাৰ সঞ্চাৰ কৰে।

গৃহমন্ত্ৰী অমিত শ্বাহেও এন ডি আৰ এফৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে বাহিনীটোৰ বিষয়া-কৰ্মচাৰীসকললৈ শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ জৰিয়তে দিয়া এটা বাৰ্তাত শ্ৰী শ্বাহে এন ডি আৰ এফক বিশ্বাসৰ স্তম্ভ আখ্যা দি কয় যে দুৰ্যোগৰ সময়ত দেশে এন ডি আৰ এফৰ ওপৰত ভৰষা কৰে আৰু চৰকাৰে গ্ৰহণ কৰা দুৰ্যোগ প্ৰশমনকাৰী সংকল্পসমূহ সফল কৰাৰ

ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। গৃহমন্ত্ৰীগৰাকীয়ে লগতে আনৰ নিৰাপত্তা সুনিশ্চিত কৰা বাবে আত্মাহোতি দিয়া শ্বহিদসকলৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰে।

০০০০০০০

ভাৰতীয় জনতা পাৰ্টীৰ ৰাষ্ট্ৰীয় সভাপতিৰ নিৰ্বাচনৰ বাবে মনোনয়ন দাখিল প্ৰক্ৰিয়াৰ আজি সন্ধিয়া সামৰণি পৰে। বিজেপিৰ কাৰ্যকৰী সভাপতি নীতিন নবীনে ৰাষ্ট্ৰীয় সভাপতি পদৰ বাবে মনোনয়ন দাখিল কৰে। বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডা, কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহ, ৰাজনাথ সিং, নীতিন গাডকাৰীকে ধৰি বিজেপিৰ অন্যান্য সদস্যই ৰাষ্ট্ৰীয় সভাপতি পদৰ বাবে নীতিন নবীনৰ নাম আগবঢ়ায়। দলটোৰ ৰাষ্ট্ৰীয় ৰিটাৰ্ণিং বিষয়া কে লক্ষ্মণে প্ৰকাশ কৰা নিৰ্বাচনসূচী অনুসৰি, আজি দিনৰ ২ বজাৰ পৰা ৪ বজাৰ ভিতৰত মনোনয়ন পত্ৰসমূহ দাখিল কৰা হয়। মনোনয়ন পত্ৰসমূহ দাখিলৰ পাছত বিয়লি ৪ বজাৰ পৰা চালিজাৰি চোৱা হয়। মনোনয়ন দাখিলৰ সময়ত উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথ, হাৰিয়ানাৰ মুখ্যমন্ত্ৰী নয়াব সিং ছাইনী, মধ্য প্ৰদেশ, গোৱা আৰু ৰাজস্থানৰ মুখ্যমন্ত্ৰীসকল উপস্থিত থাকে। মনোনয়ন প্ৰক্ৰিয়াৰ অন্তত প্ৰয়োজন হ'লে কাইলৈ নিৰ্বাচন অনুষ্ঠিত হ'ব। কাইলৈয়ে বিজেপিৰ নতুন ৰাষ্ট্ৰীয় সভাপতিৰ নাম আনুষ্ঠানিকভাৱে ঘোষণা কৰা হ'ব। সম্প্ৰতি কেন্দ্ৰীয় মন্ত্ৰী জগতপ্ৰকাশ নাড্ডাই বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰি আছে। শ্ৰীনাড্ডাক ২০১৯ চনত দলটোৰ কাৰ্যকৰী সভাপতি হিচাপে নিয়োজিত কৰা হৈছিল আৰু ২০২০ চনৰ জানুৱাৰীত তেওঁক ৰাষ্ট্ৰীয় সভাপতি অমিত শ্বাহৰ স্থলাভিষিক্ত কৰা হৈছিল।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ভাৰত এতিয়া বিশ্বৰ চতুৰ্থ বৃহত্তম অৰ্থনীতি হিচাপে আত্মপ্ৰকাশ কৰা বুলি সামাজিক ন্যায় আৰু সবলীকৰণ ৰাজ্যমন্ত্ৰী ৰামদাস আঠাৱালে প্ৰকাশ কৰে। আহমেদাবাদত জিলা বিষয়াসকলৰ সৈতে এখন উচ্চ পৰ্যায়ৰ পৰ্যালোচনা বৈঠকত ভাষণ দি মন্ত্ৰীগৰাকীয়ে বিভিন্ন কেন্দ্ৰীয় কল্যাণমূলক আঁচনিৰ অগ্ৰগতিৰ বুজ লয়। মন্ত্ৰীগৰাকীয়ে লগতে মেক ইন ইণ্ডিয়া অভিযানে দেশৰ উৎপাদন ক্ষেত্ৰত এটা বিপ্লৱৰ সূচনা কৰিছে, যাৰ ফলত গুজৰাটৰ লগতে দেশৰ অন্য ৰাজ্যতো বৃহৎ পৰিমাণে নিয়োগৰ সৃষ্টি হৈছে। পৰ্যালোচনা বৈঠকৰ সময়ত মন্ত্ৰীগৰাকীয়ে দিব্যাংগজনৰ বাবে সামাজিক সুৰক্ষা ব্যৱস্থা, অসবৰ্ণ বিবাহ আৰু বিভিন্ন কল্যাণমূলক আঁচনি ফলপ্ৰসূ ৰূপায়ণৰ ক্ষেত্ৰত বিষয়াসকলক প্ৰয়োজনীয় নিৰ্দেশনা প্ৰদান কৰে।

০০০০০০০

পৰিবেশ, বন আৰু জলবায়ু বিভাগৰ মন্ত্ৰী ভূপেন্দ্ৰ যাদৱে নতুন দিল্লীত আজি ৰাষ্ট্ৰীয় বন্যপ্ৰাণী বোৰ্ডৰ ৮৮ সংখ্যক স্থায়ী কমিটীৰ বৈঠকত অংশগ্ৰহণ কৰে। এই কমিটীয়ে সংৰক্ষিত তথা দাঁতিকাষৰীয়া অঞ্চল, অভয়াৰণ্য, ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চল আৰু পৰিবেশৰ প্ৰতি সংবেদনশীল অঞ্চলৰ আশে-পাশে থকা এলেকাৰ বাবে প্ৰয়োজনীয় জনহিতকৰ সেৱা, সামৰিক বাহিনীৰ সা-সৰঞ্জাম, আন্তঃগাঁথনিকে ধৰি বিভিন্ন বিষয় সামৰি ৭০টা প্ৰকল্প সম্পৰ্কে আলোচনা কৰে। কমিটীখনে লগতে সামৰিক বাহিনী আৰু সীমা তথা সাগৰপৃষ্ঠৰ পৰা যথেষ্ট উচ্চতাত অৱস্থিত অঞ্চলসমূহক সামৰি আৰম্ভ কৰিব পৰা ১৭টা প্ৰকল্প সম্পৰ্কীয় আলোচনাত ভাগ লয়।

০০০০০০০

পোলেণ্ডৰ উপ প্ৰধানমন্ত্ৰী ৰেডশ্ল ছিকৰস্কিৰ সৈতে ভাৰতৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰৰ আজি নতুন দিল্লীত বৈঠকত অনুষ্ঠিত হয়। এই বৈঠকত ভাৰত আৰু পোলেণ্ডৰ মাজত কৌশলগত অংশীদাৰিত্ব বৃদ্ধি কৰাৰ বিষয়ে গুৰুত লাভ কৰে। বৈঠকৰ পাছত পোলেণ্ডৰ উপ প্ৰধানমন্ত্ৰীগৰাকীৰ সৈতে যুটীয়াকৈ সম্বোধন কৰা এখন সংবাদমেলত ড০ জয়শংকৰে কয়, যে ভাৰতে ঐতিহাসিকভাৱে পোলেণ্ডৰ সৈতে যোগাযোগ ৰক্ষা কৰি আহিছে। শেহতীয়াকৈ দেশখনৰ সৈতে উচ্চ পৰ্যায়ৰ ৰাজনৈতিক বিনিময় তথা অৰ্থনৈতিক সহযোগিতাপূৰ্ণ সম্পৰ্ক স্থাপন হৈছে। আজি বৈঠকত ভাৰত আৰু পোলেণ্ডৰ মাজত বাণিজ্য আৰু বিনিয়োগ বৃদ্ধিৰ সন্দৰ্ভতো আলোচনা কৰা হয় বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰীগৰাকীয়ে সংবাদমেলত প্ৰকাশ কৰে। তদুপৰি, প্ৰতিৰক্ষা, নিৰাপত্তা, শক্তি আৰু ডিজিটেল অংশীদাৰিত্ব সন্দৰ্ভতো আলোচনা কৰা হয় বুলি ড০ জয়শংকৰে জানিবলৈ দিয়ে। পোলেণ্ডৰ সৈতে ভাৰতে কৰা বাণিজ্য ৭ বিলিয়ন ডলাৰতকৈ বৃদ্ধি হৈছে বুলি ড০

জয়শংকৰে প্ৰকাশ কৰে। ভাৰতে পোলেণ্ডত ৩ বিলিয়ন আমেৰিকান ডলাৰ বিনিয়োগ কৰি দেশখনৰ যুৱক-যুৱতীসকলক কৰ্মসংস্থাপনৰ সুযোগ দিব বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০০০

ছুইজাৰলেণ্ডৰ ডাভ'ছত আজিৰে পৰা অহা ২৩ জানুৱাৰীলৈ ৱৰ্ল্ড ইক'ন'মিক ফ'ৰামৰ সন্মিলন অনুষ্ঠিত হ'ব। সন্মিলনৰ ৫৬ সংখ্যক বাৰ্ষিক বৈঠকত বিশ্বৰ ৩হাজাৰৰো অধিক নেতাই অংশ ল'ব। পাঁচদিনীয়া এই অনুষ্ঠানত অংশগ্ৰহণ কৰিবলৈ ভাৰতৰ ১০০ গৰাকীৰো অধিক মুখ্য কাৰ্যবাহী বিষয়াকে ধৰি চৰকাৰী বৃহৎ প্ৰতিনিধি দল এটাই ইতিমধ্যে ছুইজাৰলেণ্ডৰ চহৰখনত বাহৰ পাতিছে। কেন্দ্ৰীয় মন্ত্ৰী অশ্বিনী বৈষ্ণৱ, প্ৰহ্লাদ যোশী আৰু কে ৰামমোহন নাইডু এই সন্মিলনত উপস্থিত থকাৰ লগতে দ্বিপাক্ষিক বৈঠকত উপস্থিত থকাৰ সম্ভাৱনা আছে। অসমৰ উপৰি মহাৰাষ্ট্ৰ, অন্ধ্ৰ প্ৰদেশ, মধ্য প্ৰদেশ আৰু ঝাৰখণ্ডৰ মুখ্যমন্ত্ৰীকেইগৰাকীয়ে বিনিয়োগকাৰীসকলৰ সন্মুখত নিজ নিজ ৰাজ্যক প্ৰতিনিধিত্ব কৰিব।

০০০০০০০

ব্ৰিটিছ প্ৰধানমন্ত্ৰী কীৰ ষ্টাৰমাৰে আজি কয় যে আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে গ্ৰীণলেণ্ডত একীকৃত দেশসমূহৰ বিৰুদ্ধে লগোৱা কৰ আপত্তিজনক আৰু বাণিজ্যিকভাৱে আৰম্ভ হ'বলগীয়া যুদ্ধকেন্দ্ৰিক পৰিস্থিতি কাৰোৰে বাবে গ্ৰহণযোগ্য নহয়। আজি লণ্ডনত আয়োজিত এখন সংবাদ মেলত প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে সুমেৰুৰ দ্বীপসমূহৰ ভৱিষ্যৎ সুনিশ্চিত কৰিবৰ বাবে ব্ৰিটেইনে সকলো ধৰণেৰে গ্ৰীণলেণ্ড আৰু ডেনমাৰ্কৰ মৌলিক অধিকাৰসমূহৰ প্ৰতি সহযোগিতা আগবঢ়াব। তেওঁ লগতে কয় যে ব্ৰিটেইনে ইউৰোপ, নেটো আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ সৈতে একেলগে কাম কৰাৰ প্ৰতি সদায় আগ্ৰহী আৰু ইয়াক কাৰ্যক্ষেত্ৰত ৰূপায়ণ কৰিবলৈ আৰম্ভ কৰিব পৰা যিকোনো ধৰণৰ আলোচনাত অংশগ্ৰহণ কৰিবলৈ তেওঁলোক সাজু। উল্লেখযোগ্য যে যোৱা শনিবাৰে ৰাষ্ট্ৰপতি ট্ৰাম্পে ইংলেণ্ডকে ধৰি আঠখন ইউৰোপীয় ৰাষ্ট্ৰৰ ওপৰত ফেব্ৰুৱাৰী মাহৰ পৰা আমদানি শুল্ক আৰোপ কৰিব।

০০০০০০০

অষ্ট্ৰেলিয়ান অপেন টেনিছ প্ৰতিযোগিতাৰ প্ৰথম ৰাউণ্ডৰ এখন খেলত আজি তৃতীয় স্থানপ্ৰাপ্ত ক'ক গ'ফে কেমিলিয়া ৰাখিম'ভাক ৬-২, ৬-৩ ছেটত পৰাস্ত কৰে। দুবাৰকৈ গ্ৰেণ্ড শ্লেম বিজয়ী আমেৰিকান খেলুৱৈ গ'ফে দ্বিতীয় ৰাউণ্ডত ছাৰ্বিয়াৰ বাওহতীয়া খেলুৱৈ অ'লগা ডেনিল'ভিকৰ মুখামুখি হ'ব। উল্লেখযোগ্য যে ডেনিল'ভিকে কালি ৪৫ বছৰীয়া ভেনাছ উইলিয়ামছক পৰাস্ত কৰি দ্বিতীয় ৰাউণ্ডত প্ৰৱেশ কৰিছে।

০০০০০০০

সমাপ্ত